Total No. of Printed Pages—7

**2 SEM TDC ASM MIL (A) 1**

# 2017

( May )

## ASSAMESE

( Modern Indian Language )

**( Arts )**

Course : 201

( অসমীয়া ভাষাৰ প্ৰায়োগিক জ্ঞান )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়া উত্তৰ দিয়াঁ : ১×৬=৬

(ক) সমস্যাৰ সমাধান তথা প্ৰতিশ্ৰুতি পূৰণৰ বাবে লিখা পত্ৰক কি বুলি কোৱা হয়?

(খ) তলত দিয়া সংক্ষিপ্ত ৰূপবোৰৰ পূৰ্ণাংগ ৰূপ লিখাঁ :

ইং ; সক.ক্ৰি.।

(গ) Terminology শব্দটোৰ অৰ্থ কি?

(ঘ) 'অগ্ৰজ' শব্দটিৰ উচ্চাৰণ স্বৰান্ত নে ব্যঞ্জনান্ত?

(ঙ) 'শ্ৰ' আৰু 'ত্ব'—এই যুক্তাক্ষৰ দুটা ভাঙি দেখুওৱাঁ।

(চ) যুৰীয়া অনুকাৰ শব্দত কি যতিচিহ্ন প্ৰয়োগ হয়?

২। (ক) উপায়ুক্তৰ কাৰ্যালয়ত দুটা নিম্নবৰ্গ সহায়কৰ পদ খালী হোৱাৰ বিজ্ঞাপন স্থানীয় বাতৰিকাকতত প্ৰকাশ পাইছে। যাৱতীয় তথ্যপাতিৰে তোমাৰ প্ৰাৰ্থিত্ব আগবঢ়াই এখন আবেদন পত্ৰ লিখাঁ। ১০

*অথবা*

(খ) চমু টোকা লিখাঁ (নমুনাসহ যি কোনো দুটা) : ৫×২=১০

(১) ইচ্ছা-পত্ৰ

(২) সম্বৰ্ধনা-পত্ৰ

(৩) ব্যৱসায়িক পত্ৰ

৩। (ক) কার্য-বিৱৰণীৰ ভাষা কেনে হোৱা উচিত? কাৰ্য-বিৱৰণী লেখনৰ কলাকৌশলসমূহ খটুৱাই তোমাৰ মহাবিদ্যালয়ত উদ্‌যাপিত শিক্ষক দিৱসৰ কাৰ্য-বিৱৰণী যুগুত কৰাঁ। ২+৮=১০

*অথবা*

(খ) অভিধানত সংক্ষিপ্ত ৰূপৰ ভূমিকা কি? 'হেমকোষ' বা 'আধুনিক অসমীয়া শব্দকোষ' বা 'চন্দ্ৰকান্ত অভিধান'ত সন্নিবিষ্ট হোৱা সংক্ষিপ্ত ৰূপসমূহৰ বিষয়ে এটি চমু আলচ আগবঢ়োৱাঁ। ৩+৭=১০

৪। বিভিন্ন প্ৰকাৰৰ অনুবাদ সম্পৰ্কে উল্লেখ কৰি যি কোনো দুটাৰ পৰিচয়সূচক টোকা যুগুত কৰাঁ। ৪+৩+৩=১০

৫। তলত দিয়া ইংৰাজী অংশটি অসমীয়ালৈ অনুবাদ কৰাঁ : ৫

(ক) Human beings today know more than they did two hundred years ago, they suffer less pain, they work less hard, they are more reasonable, and they are not much afraid of things. This last point is important. Through most of the history, men have been terribly afraid, not only of

wars and pestilences and famines, but of unreal things, of the wrath of angry gods, of the devil, of course, of the Evil Eye, of seeing magpies, of walking under ladders, of the dark .... We call this fear of unreal thinks superstitious fear, and one of the things science has done is largely to free men from superstitious fears. For in giving knowledge and helping to make them reasonable, it has taught them which things are really fearful and which are not, the result is that men are less frightened than they used to be.

অথবা

(খ) Machines alone cannot keep pace with civilization, we should try to become more civilized. For the machines themselves, and the power which the machines have given us, are not civilization, but aids to civilization. It must be known that civilization rests on our

thinking and behaving. We all agree that being civilized means making beautiful things, thinking freely and living rightly and maintaining justice equally between man and man. Man has a better chance today to do these things than. he ever had before; he has more time, more energy, less to fear and less to fight against except for the dangers he has himself created. If he will give this time and energy, which his machines have won for him, to making more beautiful things, to finding out more and more about the universe, to removing the cause of quarrels between nations, to discovering how to prevent poverty, then I think our civilization would undoubtedly be the greatest, as it would be the most lasting, than there has ever been.

৬। ‘পৰিভাষা’ৰ এটা সম্যক ধাৰণা দাঙি ধৰি আইন-আদালত সম্পৰ্কীয় চাৰিটা অসমীয়া পৰিভাষাৰ প্ৰায়োগিক উদাহৰণ দিয়াঁ। ২+৮=১০

৭। তলত দিয়া যি কোনো চাৰিটা ইংৰাজী শব্দৰ অসমীয়া পৰিভাষা লিখাঁ : ১×৪=৪

Academic year ; Capital expenditure ; Draft ; Judicial inquiry ; Minutes of meeting ; Polling ; Project ; Zone.

৮। তলত দিয়া যেই সেই ছয়জোৰা শব্দৰ পৰা শুদ্ধ ৰূপটো বাছি উলিওৱাঁ : $\frac{১}{২}$×৬=৩

ওতঃপ্ৰোতঃ/ওতপ্ৰোত ; অণিমা/অনিমা ; অত্যাধিক/অত্যধিক ; চাবি-কাঠী/চাবি-কাঠি ; প্ৰৱন্ধ/প্ৰবন্ধ ; আভাস/আভাষ ; শ্বাশ্বত/শাশ্বত ; আঙুঠি/আঙঠি।

৯। তলত দিয়া যি কোনো পাঁচোটা জতুৱা খণ্ডবাক্যৰ অৰ্থ লিখি বাক্য সাজা : ২×৫=১০

পানীৰ মিঠৈ ; উলহৰ মাদলি ; শালৰ মাজৰ শিঙি ; হাতত সাৰে ভৰিত সাৰে ; হাড়ত বন গজা ; হাত দীঘল ; চকুৰ কুটা দাঁতৰ শূল ; কপাল ফুল্।

১০। তলৰ যি কোনো দুটাৰ বিষয়ে লিখাঁ : ৬×২=১২

(ক) অসমীয়া ভাষাত যতিচিহ্নৰ প্ৰয়োগ

(খ) অসমীয়া ভাষাৰ উচ্চাৰণৰ সমস্যা

(গ) পৰ-প্ৰত্যয়ৰ যোগত অসমীয়া ভাষাৰ শব্দগঠন

★★★